# এজন আদৰ্শবান বিৰল ৰাজনৈতিক নেতা

**ইন্দ্ৰজিৎ ভূঞা**

আমাৰ দেশৰ কেইজনমান প্ৰবীণ ৰাজনৈতিক নেতাৰ জীৱন বৈচিত্ৰ্যৰে পূৰ্ণ। দৰিদ্ৰতা, দৈন্যৰ যে পৰিৱৰ্তন ঘটাব পাৰি তাৰ জ্বলন্ত উদাহৰণৰ অভাৱ নাই। তাৰ ভিতৰত এজন হ'ল প্ৰবীণ স্বাধীনতা সংগ্ৰামী তিনিবাৰকৈ পুৰণি মাদ্ৰাজ প্ৰদেশৰ মুখ্যমন্ত্ৰী আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি কুমাৰস্বামী কামৰাজ। জীৱনৰ ছবছৰ বয়সতে পিতৃহাৰা হোৱা কামৰাজে সাত বছৰ বয়সত যদিও স্কুলীয়া শিক্ষা আৰম্ভ কৰে মাত্ৰ চৈধ্য বছৰ বয়সতে শিক্ষা জীৱনৰ সমাপ্তি ঘটাই বিধৱা মাকক ঘৰ চলোৱাত সহায় কৰিব লগাত পৰে। আনৰ দোকানত কাম কৰা সেই ল'ৰাজনে সময়ত নিজৰ অধ্যৱসায়ৰ ফলত নিজ ৰাজ্যৰ মুখ্যমন্ত্ৰীয়েই নহয়, দেশৰ বৃহত্তম ৰাজনৈতিক দল কংগ্ৰেছৰ সভাপতিৰ আসনত বহি বৃহত্তম দেশখনৰ কিং মেকাৰো যে হ'ব পাৰিছিল, সি সঁচাকৈয়ে ভাবিব নোৱৰা কথা। ৰাজনৈতিক দল এটাক কেনেকৈ গতিশীল কৰি ৰাইজৰ দল হিচাপে জীয়াই ৰাখিব পাৰি তাৰেই কৌশল আছিল তেখেতৰ নিজৰ চিন্তাৰ গভীৰ প্ৰতিফলন, 'কামৰাজ আঁচনি'।

কামৰাজ মাদ্ৰাজ প্ৰদেশৰ মুখ্যমন্ত্ৰী হৈছিল ১৯৫৪ চনৰপৰা ১৯৬৩ চনলৈকে। উচ্চ শিক্ষাৰপৰা বঞ্চিত মুখ্যমন্ত্ৰীজনৰ সপোন আছিল কেনেকৈ ৰাজ্যখনক সকলো দিশেৰে আগুৱাই নিব পৰা যায়। যাঠিৰ দশকতে তেখেতে আৰম্ভ কৰিলে লাখ লাখ স্কুলীয়া ল'ৰা-ছোৱালীৰ বাবে বিনামূলীয়া আহাৰ আৰু একাদশ শ্ৰেণী পৰ্যন্ত বিনামূলীয়া শিক্ষা। ছাত্ৰ-ছাত্ৰীসকলক দিয়া হ'ল বিনামূলীয়া স্কুল ইউনিফৰ্ম যাতে ফুল কুমলীয়া এই ল'ৰা-ছোৱালীবোৰে অনুভৱ কৰিব নোৱাৰে জাতি, ধৰ্ম আৰু শ্ৰেণীৰ পাৰ্থক্য। কোনো এখন গাঁও যাতে প্ৰাথমিক বিদ্যালয়ৰপৰা বঞ্চিত নহয়, তাৰ এটা স্থিৰ সিদ্ধান্ত ল'লে। **তিনি কিল'মিটাৰৰ ভিতৰত একোখন প্ৰাথমিক বিদ্যালয় আৰু প্ৰতিখন পঞ্চায়তৰ ভিতৰত একোখন হাইস্কুল প্ৰতিষ্ঠা কৰাটো বাধ্যতামূলক কৰিলে। বাস্তৱত দেখা গ'ল ব্ৰিটিছৰ শাসনত থকা ৭ শতাংশ শিক্ষিত বাঢ়ি কামৰাজৰ মাদ্ৰাজত শিক্ষিতৰ হাৰ হ'ল ৩৭ শতাংশ**। শিক্ষাৰ মান উন্নীত কৰাৰ বাবে তেখেতে শিক্ষা গ্ৰহণৰ দিন বছৰেকত ১৮০ দিনৰপৰা বঢ়াই ২০০ দিন কৰিলে। তেখেতৰ মতে অনাৱশ্যকীয় বন্ধৰ দিনে সমাজৰ অপকাৰহে সাধন কৰে। মুখ্যমন্ত্ৰী কামৰাজ আৰু মাদ্ৰাজৰ ৰাজ্যপাল, অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিৰ চেষ্টাতে ১৯৫৯ চনত দেশৰ বিখ্যাত আই আই টি মাদ্ৰাজে প্ৰতিষ্ঠা লাভ কৰে। শিক্ষাৰ দৰে উদ্যোগৰ ক্ষেত্ৰতো সমানে গুৰুত্ব দি কাগজ কল, চেনি কল, ৰসায়ন আৰু ছিমেণ্ট কল প্ৰতিষ্ঠা কৰি কৰ্ম-সংস্থাপনৰ বাট মুকলি কৰে। মাদ্ৰাজত বৃহৎ উদ্যোগৰ সূচনা কৰে মুখ্যমন্ত্ৰী কামৰাজেই।

ইমানলৈকে নিজৰ ৰাজ্যখনক আগুৱাই নিয়াৰ পাছতো যেন মুখ্যমন্ত্ৰী কামৰাজ দেশৰ পৰিস্থিতি অধ্যয়ন কৰি মুঠেই সুখী নাছিল। কংগ্ৰেছ দলটোৱে যেন লাহে লাহে নিজৰ



*কুমাৰস্বামী কামৰাজ*

শক্তি হেৰুৱাবলৈ ধৰিছে। শাসনৰ গাদীত বহি জনসাধাৰণৰ আশা-আকাংক্ষাক যেন গুৰুত্ব নিদি সমূলি পাহৰি পেলাইছে। **১৯৫৭ চন আৰু ১৯৬২ চনৰ দেশৰ সাধাৰণ নিৰ্বাচনত জয় জয় ময় ময় অৱস্থাৰ কংগ্ৰেছ দলৰ নেতাসকল কেৱল ভোগ-বিলাসতহে যেন মত্ত হৈ পৰিছে, দেশৰ স্বাধীনতা আন্দোলনৰ উদ্দেশ্য যেন ভুৱা হৈ পৰিল।** নিজৰ বিবেক দংশন সহ্য কৰিব নোৱাৰি মুখ্যমন্ত্ৰী কামৰাজে ১৯৬৩ চনৰ ২ অক্টোবৰ দিনটোতে পদত্যাগ কৰাৰ সিদ্ধান্ত ল'লে। লগতে তেখেতে সকলো প্ৰবীণ কংগ্ৰেছী নেতাকে শাসনৰ নিজ নিজ পদৰপৰা পদত্যাগ কৰি দলটোক উজ্জীৱিত কৰাৰ কামত লাগিবলৈ আহ্বান জনালে। এই আহ্বানেই হ'ল 'কামৰাজ আঁচনি' যাৰ মূল লক্ষ্য আছিল ভাৰতৰ জনগণৰ মনত বিশ্বাস জন্মোৱা, যাতে দেশৰ জনগণে বুজি পায় দেশৰ কংগ্ৰেছীসকলে মাত্ৰ ক্ষমতাৰ লোভত স্বাধীনতা আন্দোলনত জঁপিয়াই পৰা নাছিল। দেশৰ স্বাৰ্থতকৈ ব্যক্তি স্বাৰ্থ কেতিয়াও উৰ্দ্ধত হ'ব নোৱাৰে, সি লাগে যি পদতেই নাথাকক। দেশৰ হকে, জনগণৰ স্বাৰ্থত কাম কৰাৰ উদ্দেশ্যতে গঠিত হৈছিল কংগ্ৰেছ দল, ইয়াৰ কোনো দ্বিতীয় ব্যাখ্যাৰ প্ৰয়োজন নাই। 'কামৰাজ আঁচনি' ঘোষণাৰ লগে লগে ছজন কেন্দ্ৰীয় মন্ত্ৰী আৰু ছখন ৰাজ্যৰ মুখ্যমন্ত্ৰী পদত্যাগ কৰি দলৰ স্বাৰ্থত কাম কৰাৰ বাবে আগুৱাই আহে। সেইসকল বৰেণ্য ৰাজনীতিক হ'ল—লাল বাহাদুৰ শাস্ত্ৰী, মোৰাৰজী দেশাই, জগজীৱন ৰাম, বিজু পাটনায়ক, এছ কে পাটিল আদি। প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু কামৰাজৰ এই বুদ্ধিদীপ্ত, কৃতকাৰ্য আঁচনিত অভিভূত হৈ পৰে আৰু কামৰাজৰ সেৱা যে দেশৰ বাবে অপৰিহাৰ্য তাক স্বীকাৰ কৰি অকণো বিলম্ব নকৰি তেখেতক দিল্লীলৈ মাতি আনি কংগ্ৰেছৰ সৰ্বভাৰতীয় সভাপতি পদৰ প্ৰস্তাৱ দিয়ে। নেহৰুৱে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল, কামৰাজ এনেকুৱা এজন দূৰদৰ্শী নেতা, যাৰ অন্তৰত আছে দেশৰ সাধাৰণ জনগণৰ উন্নতিৰ সপোন। ১৯৬৩ চনৰ ৯ অক্টোবৰত কামৰাজ ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি নিৰ্বাচিত হয়। ১৯৬৭ চনলৈকে দলৰ সভাপতি হৈ থকা কামৰাজে দেশৰ দুটা ডাঙৰ দুৰ্যোগ কেনেকৈ নিজৰ ত্যাগ আৰু সাহসেৰে চম্ভালিছিল ভাবিলে আচৰিত লাগে।

১৯৬৪ চনত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ মৃত্যু আছিল অভাৱনীয়। কংগ্ৰেছ সভাপতি কামৰাজে নিজৰ কোনো অভিলাস নেদেখুৱাই লাল বাহাদুৰ শাস্ত্ৰীক দেশৰ দ্বিতীয়জন প্ৰধানমন্ত্ৰীৰ আসনত বহুৱায়। আকৌ ৰাজনৈতিক ধুমুহাৰ দ্বিতীয়টো বাতৰি আহে হঠাৎ ১৯৬৬ চনত। প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ তাছখণ্ডত মৃত্যু ঘটে। এইবাৰ আকৌ কংগ্ৰেছ সভাপতি কামৰাজৰ গধুৰ দায়িত্ব আহি পৰে, চিন্তা হ'ল দেশৰ প্ৰধানমন্ত্ৰী পাতিব কাক। নিজৰ বিচাৰ-বুদ্ধিৰে সভাপতি কামৰাজে কোনেও নভবা কম বয়সীয়া নেহৰুৰ কন্যা ইন্দিৰা গান্ধীক দেশৰ তৃতীয়জন প্ৰধানমন্ত্ৰীৰ আসনত বহুৱালে। দেশৰ স্বাৰ্থত নিজৰ ত্যাগেৰে দুবাৰকৈ প্ৰধানমন্ত্ৰী বাছনি কৰি যি মহত্ত্ব অৰ্জন কৰিলে তাৰ বাবে কামৰাজ হৈ থাকিল দেশৰ ৰাজনৈতিক বুৰঞ্জীত 'কিং মেকাৰ'। ১৯৭৫ চনৰ ২ অক্টোবৰ তাৰিখে ৭২ বছৰ বয়সত তেখেতে ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ পাছত ১৯৭৬ চনত তেখেতলৈ দেশৰ সৰ্বোচ্চ অসামৰিক বঁটা 'ভাৰত ৰত্ন' প্ৰদান কৰা হয়। এজন নেতাৰ ইমানবোৰ মহৎ কৰ্মৰ বিষয়ে জনাৰ পাছত স্বাভাৱিকতে মনলৈ ভাব আহে এনে মহান নেতাসকল আজিৰ আস্থাহীন ৰাজনৈতিক পৰিৱেশত দিকদৰ্শক হ'ব নোৱাৰেনে? **আজি সকলো ৰাজনৈতিক দলৰ বাবে 'কামৰাজ আঁচনি' প্ৰযোজ্য নহয়নে?** ৰাজনীতি সকলোৱে কৰিব পাৰে, কিন্তু অল্পশিক্ষিত হৈয়ো কামৰাজৰ নিচিনা দূৰদৰ্শী ৰাজনীতিকেহে দলৰ স্বাৰ্থত, দেশৰ জনগণৰ স্বাৰ্থত ৰাজনৈতিক বুৰঞ্জীত 'কামৰাজ আঁচনি' উপহাৰ দি থৈ যাব পাৰে।

ঠিকনা ঃ ৩৪, কস্তুৰবা নগৰ, দক্ষিণ শৰণীয়া, উলুবাৰী, গুৱাহাটী-৭৮১০০৭, ফোন ঃ ৯৪৩৫৫৫২৪৯৯